# B.A. FYUGP 2nd Semester Examination, 2025

## Name of Subject : ASSAMESE

## Name of the Paper : Proof Reading

## Paper Code : SEC 0209203

Full Marks : 45 Time : 2 Hrs.

১। তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া - ১×৫=৫

(ক) আৰ্হি পাঠত (Proof Reading) '^' চিহ্নটো কেতিয়া ব্যৱহাৰ কৰা হয়?

(খ) DTP Operator কাক বোলে ?

(গ) আৰ্হিপাঠ (Proof Reading) বৃত্তিমূলক হ'ব পাৰেনে ?

(ঘ) আৰ্হিপাঠত কেলকুলেটৰ (Calculator) যন্ত্ৰৰ আৱশ্যক হ'ব পাৰেনে ?

(ঙ) যিকোনো এটা বৈদ্যুতিন আৰ্হিপাঠ ছফ্‌ট্‌ৱেৰ (Digital Proof reader)ৰ নাম উল্লেখ কৰা।

২। শুদ্ধ বিকল্পটো চিনি উলিওৱা - ১×৫=৫

(i) আৰ্হিপাঠ কি ?

(ক) নতুনকৈ লিখা (খ) ব্যাকৰণ, বানান আদিৰ ভুল শুদ্ধ কৰা

(গ) ডিজাইন কৰা (ঘ) পাঠ কৰা।

(ii) আৰ্হি পাঠ কিয় গুৰুত্বপূৰ্ণ ?

(ক) লেখা সজোৱাৰ বাবে (খ) ভুল নিৰ্ণয় কৰি শুধৰাবলৈ

(গ) অনুবাদ কৰিবলৈ (ঘ) লিখনি সংক্ষেপে কৰিবলৈ

(iii) তলৰ কোনটো আৰ্হিপাঠৰ এটা কাম ?

(ক) নতুন বিষয় যোগ কৰা। (খ) ভাব সংশোধন কৰা

(গ) অনুচ্ছেদৰ গঠন সজোৱা (ঘ) নতুনকৈ লিখা

(iv) তলৰ কোনটো আৰ্হিপাঠৰ ক্ষেত্ৰত সহায়ক হ'লেও কেৱল সেইটোৰ ওপৰতে নিৰ্ভৰ কৰা উচিত নহয়?

(ক) ব্যাকৰণ পুথি (খ) বানান পৰীক্ষা কৰা ছফ্‌ট্‌ৱেৰ

(গ) ইণ্টাৰনেট ব্ৰাউজাৰ (ঘ) কেলকুলেটৰ

P.T.O.

(v) নিজৰ লেখা নিজে আৰ্হিপাঠ কৰাৰ উপযুক্ত সময় কোনটো ?

(ক) লিখা হোৱাৰ লগে লগে (খ) লিখি থাকোঁতে

(গ) অলপ সময় জিৰণি লৈ (ঘ) কেতিয়াও নহয়।

৩। আৰ্হি পাঠৰ ইতিহাস সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা। ৫

অথবা

আৰ্হি পাঠৰ ব্যৱসায়িক গুৰুত্ব সম্পৰ্কে আলোচনা কৰা। ৫

৪। আৰ্হি পাঠত অভিধানৰ গুৰুত্ব সম্পৰ্কে বৰ্ণনা কৰা। ৫

অথবা

আৰ্হিপাঠত ব্যৱহাৰ হোৱা চিহ্নবোৰৰ এখন তালিকা প্ৰস্তুত কৰা। ৫

৫। আৰ্হিপাঠকৰ থাকিবলগীয়া গুণবোৰৰ বিষয়ে আলোচনা কৰা। ৫

অথবা

আৰ্হিপাঠৰ অনুপস্থিতিত কেনেধৰণৰ সমস্যা হ'ব পাৰে আলোচনা কৰা। ৫

৬। তলৰ যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা।

(i) বৈদ্যুতিন আৰ্হিপাঠ (Digital Proof reader) মানে কি ? বৈদ্যুতিন আৰ্হি পাঠৰ বিষয়ে বহলাই লিখা। ৩+৭=১০

(ii) আৰ্হি পাঠ কাক বোলে ? আৰ্হিপাঠৰ প্ৰয়োজনীয়তা সম্পৰ্কে বহলাই আলোচনা কৰা। ২+৮=১০

(iii) আৰ্হিপাঠৰ প্ৰক্ৰিয়া বৰ্ণনা কৰা। এজন আৰ্হিপাঠকে কি কি দিশত গুৰুত্ব দিব লাগে বৰ্ণনা কৰা। ৫+৫=১০

(iv) আৰ্হি পাঠত সচৰাচৰ বিচাৰি পোৱা ভুলবোৰ কি কি ? সেইবোৰ চিনাক্ত কৰি সংশোধন কৰাৰ কৌশলবোৰ লিখা। ৫+৫=১০

—oo—